আৰ.এল. মিনা আৰু অন্যান্য

-বনাম-

ভাৰত যুক্তৰাজ্য আৰু অন্যান্য

ৰায়দানৰ তাৰিখ ৪ ছেপ্টেম্বৰ, ২০০০ চন।

(ন্যায়াধীশ এম. জগন্নাধা ৰাও আৰু ন্যায়াধীশ দোৰাইস্বামী ৰাজুৰ খণ্ডবিচাৰপীঠ)

সেৱা আইন-ভাৰতীয় আৰক্ষী সেৱা-কেডাৰ-দিল্লী আৰু আন্দামান নিকোবৰ আৰক্ষী সেৱা- বিষয়াৰ পদোন্নতি–অৰুণাচল, গোৱা, মিজোৰাম আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ আই.পি.এছ কেডাৰলৈ- এই বিষয়াসকলৰ দ্বাৰা দাখিল কৰা লেখ আবেদন- পূৰ্বৱৰ্তী তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ আই.পি.এছ হিচাপে সংবৰ্গিত কৰাটো বিচাৰিছে – উচ্চতম ন্যায়ালয়ৰ দ্বাৰা প্ৰদান কৰা নিৰ্দেশনা -আবেদনকাৰীসকলে সংবৰ্গিতকৰণৰ বাবে উপযুক্ত বুলি বিবেচনা কৰা পদবোৰৰ বিৱৰণৰ সৈতে এক বিতং আবেদন কেন্দ্ৰীয়ৰ চৰকাৰৰ সন্মূখত দাখিল কৰিব পাৰিব –আবেদনখনত পূৰ্বৱৰ্তী সময়ৰ পৰা কাৰ্য্যকৰী হোৱাকৈ কৰিব লগীয়া সংবৰ্গিতকৰণৰ কাৰণো উল্লেখ কৰিব লাগিব–কেন্দ্ৰীয় চৰকাৰে সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ সৈতে কৰা পৰামৰ্শ অনুসৰি আবেদনখন বিবেচনা কৰা উচিত আৰু বিশেষকৈ ছয় মাহৰ ভিতৰত উপযুক্ত সিদ্ধান্ত ল’ব লাগিব।

তামিলনাডুৰ প্ৰশাসনিক সেৱা বিষয়া সংস্থা–বনাম– ভাৰত যুক্তৰাজ্য ( ২০০০ ) ৩ স্কেল ৯৮, উদ্ধৃতিৰে.......

মূল দেৱানী ক্ষেত্ৰাধিকাৰ :লেখ আবেদন (চিভিল) নং ৩৫/২০০০।

(ভাৰতৰ সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত)

আবেদনকাৰীসকলৰ বাবে প্ৰতিনধিত্ব কৰা অধিবক্তাসকল ক্ৰমে পি.পি. ৰাও, বিক্ৰান্ত যাদৱ, সঞ্জয় হেগড়ে আৰু প্ৰবীণ স্বৰূপ ।

প্ৰতিবাদীসকলক প্ৰতিনধিত্ব কৰিছে অতিৰিক্ত মহান্যায়বাদী মুকুল ৰোহতাগীয়ে আৰু অধিবক্তা বি. কৃষ্ণ প্ৰসাদ আৰু টি.চি. শৰ্মাই।

আদালতৰ আদেশ নিম্নলিখিত ধৰণে প্ৰদান কৰা হৈছিল:

আৱেদনকাৰীসকল অৰুণাচল, গোৱা, মিজোৰাম আৰু কেন্দ্ৰীয় শাসিত অঞ্চল কেডাৰৰ ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া(আই.পি.এছ.) । তেওঁলোক সকলোকে দিল্লী আৰু আন্দামান নিকোবৰ আৰক্ষী সেৱাৰ পৰা যিটো এটা অন্যতম ফিডাৰ সেৱা হিচাপে পৰিগণিত আই.পি.এছলৈ পদোন্নতি দিয়া হৈছে । আৱেদনকাৰীসকলে সকাহ বিচাৰি এই আৱেদনসমূহ ভাৰতীয় সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত দাখিল কৰিছিল ।

"জাৰী কৰা লেখ, অৰ্ডাৰ বা নিৰ্দেশনা জৰিয়তে ৩১.১২.১৯৯৭ তাৰিখৰ অধিসূচনাবোৰ স্বেচ্ছাচাৰী, অযুক্তিকৰ আৰু ভাৰতীয় সংবিধানৰ ১৪ আৰু ১৬নং অনুচ্ছেদ উলঙ্ঘাকাৰী বুলি বাতিল কৰিছে আৰু পৰৱৰ্তী নিৰ্দেশনা হিচাপে সেইসকল আবেদনকাৰীক আৰু একে স্হিতিতে অৱস্থান কৰা আন সৰ্বভাৰতীয় সেৱাৰ সকলো বিষয়াক ১৯৮৫ চনৰ ২৯ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ সকলো সুবিধা প্ৰদান কৰা হ'ব পাৰে যিটো তাৰিখত শ্ৰী কে.কে. গোস্বামীক আৰু মধ্য প্ৰদেশ বন সেৱাৰ অন্যান্য বিষয়াসকলক সকাহ প্ৰদান কৰা হৈছিল ।

তাৰিখ অনুসৰি এই লেখ আৱেদনখন আজি শুনানিৰ বাবে আদালতলৈ অহিছিল ।এই আদালতে ১৯৯৪ চনৰ লেখ আৱেদন নং ৬১৩ নিষ্পত্তি কৰিলে যিখন ভাৰত যুক্তৰাজ্য আৰু অন্যান্যসকলৰ বিৰুদ্ধে তামিলনাডু প্ৰশাসনিক সেৱা বিষয়া সংস্থাই দাখিল কৰিছিল ।

এই লেখ আৱেদনখন ২৮২০০০.০৭. তাৰিখে আদালতে গ্ৰহণ কৰাৰ সময়ত আবেদনকাৰীসকলৰ বাবে প্ৰতিনধিত্ব কৰা জ্যেষ্ঠ অধিবক্তাই তেওঁৰ বক্তব্যত উল্লেখ কৰিছিল

যে আবেদনকাৰীসকলে এনে এটা নিৰ্দেশনা বিচাৰিছে যিটো ওপৰত উল্লেখিত তামিলনাডুৰ বিষয়াৰ গোচৰটোৰ ক্ষেত্ৰত জাৰী কৰা সৈতে একে ধৰণৰ হয় আৰু যিটো ২০০০ (৩) স্কেল ৯৮-ত প্ৰতিবেদিত হৈছে।

প্ৰতিবাদীসকলৰ বাবে প্ৰতিনধিত্ব কৰা অতিৰিক্ত মহান্যায়বাদীৰ আৰু আবেদনকাৰীৰ বাবে প্ৰতিনধিত্ব কৰা অধিবক্তাৰ বক্তৰ্য্য শুনাৰ পিছত, আমি অনুৰূপ দৃষ্টিভংগীৰে সহমত প্ৰকাশ কৰিছো যে এই গোচৰতো একেধৰনৰ নিৰ্দেশনা জাৰি কৰিব লাগিব।

আমি নিম্নলিখিত ধৰণে নিৰ্দেশনা জাৰি কৰোঁ:

"আবেদনকাৰীসকলৰ বাবে এইটো পথ মুকলি থাকিব যে তেওঁলোকে সংবৰ্গিতকৰণৰ বাবে উপযুক্ত বুলি বিবেচনা কৰা পদটোৰ সকলো বিৱৰণ উল্লেখ কৰি আৰু পূৰ্ববৰ্তী তাৰিখ সৈতে এটা বিশেষ কাৰণ উল্লিখনৰে যাৰবাবে তেওঁলোকে সংবৰ্গিত হ'ব লাগে বুলি বিবেচনা কৰে এক বিতং আবেদন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব পাৰিব আৰু এনেধৰণৰ আবেদন প্ৰস্তুত কৰিলে কেন্দ্ৰীয় চৰকাৰে সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ সৈতে আলোচনা কৰি এই আবেদনসমুহ বিবেচনা কৰিব আৰু বিষেশকৈ আবেদনসমুহ পোৱাৰ ছমাহৰ ভিতৰত এই সন্দৰ্ভত উপযুক্ত সিদ্ধান্ত ল'ব লাগিব। সেইমৰ্মে এই আবেদনসমূহ আৰু আপীল নিষ্পত্তি কৰা হয়। কোনো জৰিমনা নাই।"

ওপৰোক্ত নিৰ্দেশনাৰ সৈতে লেখ আবেদনখন নিষ্পত্তি কৰা হৈছে।

আবেদন নিষ্পত্তি কৰা হ'ল ।

অনুবাদক -উৰ্মি হাজৰিকা

কনিষ্ঠ অনুবাদক, অনুবাদ শাখা।

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes,

the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰে ই সঠিক বুলি বিবেচিত হ’ব।”